**2023**

# ASSAMESE

## ( Honours Elective )

Paper : ASM–HE–6016

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। তলত দিয়াবোৰৰ অতি চমুকৈ উত্তৰ দিয়া : ১×১০=১০

(ক) লক্ষ্মীনাথ বেজবৰুৱাৰ জন্ম কোন চনত হৈছিল?

(খ) লক্ষ্মীনাথ বেজবৰুৱাৰ পত্নীৰ নাম কি আছিল?

(গ) বেজবৰুৱাই কাম কৰা ইংৰাজ কোম্পানীটোৰ নাম কি আছিল?

(ঘ) বেজবৰুৱাই ৰচনা কৰা প্ৰথম নাটক কোনখন?

(ঙ) বেজবৰুৱাৰ কবিতাপুথি 'কদমকলি' কোন চনত প্ৰকাশ হৈ ওলাইছিল?

(চ) বেজবৰুৱাৰ কোনখন গল্পপুথি তেখেতৰ মৃত্যুৰ পাছত প্ৰকাশ হৈছিল?

(ছ) লক্ষ্মীনাথ বেজবৰুৱা ৰচিত একমাত্ৰ উপন্যাসখনৰ নাম কি?

(জ) 'জোনাকী' আলোচনীত কি ছদ্ম নামেৰে বেজবৰুৱাই ব্যঙ্গ আৰু হাস্য ৰসাত্মক প্ৰবন্ধ প্ৰকাশ কৰিছিল?

(ঝ) ১৯০৯ চনত বেজবৰুৱাৰ সম্পাদনাত প্ৰকাশ পোৱা আলোচনীখনৰ নাম কি?

(ঞ) 'শ্ৰী শ্ৰী শংকৰদেৱ আৰু শ্ৰী শ্ৰী মাধৱদেৱ' শীৰ্ষক গ্ৰন্থখনৰ ৰচক কোন?

২। তলৰ প্ৰশ্নবোৰৰ চমু উত্তৰ দিয়া : ২×৫=১০

(ক) বেজবৰুৱাৰ 'মালতী' কবিতাটো কোনখন কাব্যসংকলনৰ অন্তৰ্গত আৰু কাব্যসংকলনখন কোন চনত প্ৰকাশ হৈছিল?

(খ) বেজবৰুৱাৰ 'সুৰভি' গল্পসংকলনত সন্নিৱিষ্ট দুটা গল্পৰ নাম লিখা।

(গ) বেজবৰুৱাৰ 'মোৰ জীৱন-সোঁৱৰণ'ত উল্লেখ থকা অনুসৰি কোনখন হাইস্কুলৰ পৰা, কিমান খ্ৰীষ্টাব্দত তেওঁ এণ্ট্ৰেন্স পৰীক্ষাত উত্তীৰ্ণ হৈছিল?

(ঘ) 'তত্ত্ব-কথা'ত উল্লেখ থকা ঈশ্বৰ প্ৰাপ্তিৰ চাৰিটা মাৰ্গৰ যি কোনো দুটাৰ উল্লেখ কৰা।

(ঙ) বাপিৰামৰ নিজা ঘৰ ক'ত আছিল আৰু তেওঁৰ পুতেকৰ নাম কি আছিল?

৩। তলৰ যি কোনো চাৰিটাৰ ওপৰত চমু টোকা লিখা : ৫×৪=২০

(ক) অসমীয়া সমাজত ব'ৰাগী চৰিত্ৰৰ গুৰুত্ব

(খ) মালতীৰ ৰূপ বৰ্ণনা

(গ) 'বাপিৰাম' গল্পৰ নায়িকা তিলকাৰ জীৱন পৰিক্ৰমা

(ঘ) 'লাওখোলা' গল্পৰ 'মৎস পুৰাণ আধ্যা'

(ঙ) 'মোৰ জীৱন সোঁৱৰণ'ত উল্লিখিত বেজবৰুৱাৰ বৰপেটাৰ স্মৃতি

(চ) কৃপাবৰ বৰুৱাই 'উইল'ৰ জৰিয়তে দেশীভাই অসমীয়া মানুহক দি যোৱা স্থাবৰ-অস্থাবৰ সম্পত্তি

৪। তলৰ যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ দিয়া : ১০×৪=৪০

(ক) লক্ষ্মীনাথ বেজবৰুৱাৰ ৰচনাসম্ভাৰৰ চমু পৰিচয় দি তেখেতৰ কাব্য-প্ৰতিভা সম্পৰ্কে বহলাই আলোচনা কৰা।

(খ) 'বীণ ব'ৰাগী (১ম তৰংগ)' কবিতাটিত কবিয়ে কি কি দুখৰ কাহিনী নক'বলৈ ব'ৰাগীক আহ্বান জনাইছে, বৰ্ণনা কৰা।

(গ) অসমীয়া চুটিগল্পৰ জন্মপ্ৰক্ৰিয়া আৰু ইয়াৰ সমৃদ্ধি সম্পৰ্কে এক খতিয়ান দাঙি ধৰা।

(ঘ) মলক গুইন গুইন প্ৰকৃততে কোন? তেওঁৰ আঁতিগুৰি বিচাৰ কৰি এটি আলোচনা যুগুত কৰা।

(ঙ) বেজবৰুৱাই কেতিয়া আৰু ক'ত আত্মজীৱনী লিখিবলৈ আৰম্ভ কৰিছিল? 'মোৰ জীৱন সোঁৱৰণ'ৰ প্ৰথম ভাগৰ বিষয়বস্তুৰ সংক্ষিপ্ত পৰিচয় দাঙি ধৰা।

(চ) বেজবৰুৱাৰ 'মোৰ জীৱন সোৱৰণ'ত তদানীন্তন সমাজ জীৱনৰ ছবি কেনেদৰে প্ৰতিফলিত হৈছে, বৰ্ণনা কৰা।

(ছ) ‘‘বাঁহীত নিয়মিতৰূপে প্ৰকাশ হোৱা কাহিঁনী আৰু খবালি, ‘কৃষ্ণকথা’, আৰু ‘তত্ত্ব-কথা’ আদি প্ৰবন্ধাৱলীয়ে তেওঁৰ বৈষ্ণৱ ধৰ্ম সম্পৰ্কে গভীৰ জ্ঞান আৰু চিন্তাশীলতাৰ পৰিচয় দিয়ে।’’ ‘তত্ত্ব-কথা’ৰ আধাৰত এই উক্তিৰ সত্যতা প্ৰমাণ কৰিবলৈ প্ৰয়াস কৰা।

(জ) ‘কৃপাবৰ বৰুৱাৰ উইল’ৰ আধাৰত বেজবৰুৱাৰ গদ্যৰীতি সম্পৰ্কে এটি নিবন্ধ যুগুত কৰা।

★★★